জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৭/২০২১

**ওদালগুৰিৰ বৰঙাজুলি শ্ৰীমন্ত শংকৰদেৱ সত্ৰত উপস্থিত হৈ সদ্যপ্ৰয়াত সত্ৰাধিকাৰ, বিশিষ্ট সমাজ সংস্কাৰক হৰেকৃষ্ণ মহন্তৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই**

# বৰঙাজুলি সত্ৰৰ লগতে ইয়াৰ ৩৩ খন শাখা সত্ৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ওদালগুৰি জিলাৰ ডিমাকুছিস্থিত শ্ৰীশ্ৰী বৰঙাজুলি শ্ৰীমন্ত শংকৰদেৱ সত্ৰত উপস্থিত হৈ সত্ৰখনৰ সদ্যপ্ৰয়াত সত্ৰাধিকাৰ, বিশিষ্ট সমাজ সংস্কাৰক হৰেকৃষ্ণ মহন্তৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে সত্ৰ চৌহদত থকা প্ৰয়াত সত্ৰাধিকাৰগৰাকীৰ প্ৰতিমূৰ্ত্তি আৰু প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিৱেদন কৰাৰ লগতে তেওঁৰ সমাধিতো সেৱা জনায়। মুখ্যমন্ত্ৰীয়ে লগতে সত্ৰৰ নামঘৰতো সেৱা লৈ ৰাজ্যবাসীৰ কুশল-মংগলাৰ্থে প্ৰাৰ্থনা জনায়। তেওঁ সত্ৰ চৌহদত থকা সংগ্ৰহালয়ত সংৰক্ষিত প্ৰয়াত সত্ৰাধিকাৰগৰাকীৰ স্মৃতি বিজড়িত সামগ্ৰীসমূহো পৰিদৰ্শন কৰে।

ইয়াৰ পিছতে স্থানীয় সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ সামাজিক আৰু আধ্যাত্মিক জগতখনৰ এক উজ্জ্বল জ্যোতিষ্ক প্ৰয়াত হৰেকৃষ্ণ মহন্ত আতাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে একশৰণ নামধৰ্মৰ মাজেৰে বিভিন্ন জাতি-জনগোষ্ঠীক একতাৰ দোলেৰে বান্ধিবৰ বাবে আজীৱন কাম কৰি গৈছে। অসমৰ সাংস্কৃতিক তথা আধ্যাত্মিক জগতখনলৈও তেওঁ পৰ্বতসমান অৱদান আগবঢ়াই থৈ গৈছে। সত্ৰাধিকাৰগৰাকীৰ আদৰ্শ নৱ প্ৰজন্মৰ মাজত কাললৈ প্ৰবাহিত কৰাৰ লগতে তেওঁৰ কৰ্মৰাজি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চৰকাৰে যথোপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। সত্ৰ পৰিচালনা সমিতিৰ সৈতে দীৰ্ঘ সময় ধৰি আলোচনাত মিলিত হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ লগতে কয় যে বৰঙাজুলি সত্ৰৰ লগতে ইয়াৰ ৩৩ খন শাখা সত্ৰৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবেও ৰাজ্য চৰকাৰে অচিৰেই যাৱতীয় পদক্ষেপ হাতত ল'ব।

আজিৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ সৈতে অসম বিধানসভাৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক বিশ্বজিৎ দৈমাৰী, বিটিচিৰ স্থানীয় প্ৰতিনিধিসকল, ভাৰপ্ৰাপ্ত সত্ৰাধিকাৰ নিৰঞ্জন বড়ো প্ৰমুখ্যে সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল আৰু বহুসংখ্যক ভকত-বৈষ্ণৱ উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**০২/০৮/২০২১**